بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ৮ মাৰ্চত মছজিদ বায়তুল ফুতুহ মৌৰভনৰ (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে হজৰত কায়েছ বিন মহচিন আনছাৰী চাহাবী আছিল। আনছাৰৰ বণু জৰিক কবিলাৰ সৈতে তেখেত (ৰাঃ) ৰ সম্পৰ্ক আছিল। এখেত (ৰাঃ) য়ে বদৰৰ আৰু অহুদৰ যুদ্ধত যোগদান কৰিছিল ।

আন এজন চাহাবী আছিল হজৰত জাবিৰ বিন আয়াজ (ৰাঃ)। খজৰজ কবিলাৰ শাখা বণু জৰিকৰ সৈতে হজৰত জাবিৰ (ৰাঃ) ৰ সম্পৰ্ক আছিল। এখেত (ৰাঃ) য়ে বদৰৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল। হদীছত উল্লেখ পোৱা যায় যে আঁহজৰত (ছাঃ) ৰ ওপৰত (নাউজুবিল্লাহ) কোনোবা ইহুদী এজনে যাদু কৰি দিছিল,সেই যাদুয়ে আঁহজৰত (ছাঃ) ৰ ওপৰত ক্ৰিয়া কৰিছিল। উল্লেখ আছে যে ফণী আৰু চুলিত যাদু কৰি সেই চুলি আৰু ফণী কূৱা এটাত পেলাই দিছিল। পিছত আঁহজৰত (ছাঃ) য়ে সেই ফণী আৰু চুলি কুৱাৰ পৰা উঠোৱাই আনিছিল। ছহি বুখাৰীৰ শ্বৰাহ ফাতাহ আলবাৰিত উল্লেখ পোৱা যায় যে সেই ফণী আৰু চুলি হজৰত জাবিৰ বিন আয়াজ (ৰাঃ) য়ে কুৱাঁৰ পৰা উলিৱাই আনিছিল। আকৌ আন এটা ৰোৱায়েতত উল্লেখ আছে যে সেই ফণী আৰু চুলি হজৰত কায়েছ বিন মহচিন (ৰাঃ) য়ে উলিৱাইছিল। সেই কাৰণে মই ইয়াত এই দুয়োজন চাহাবাৰ বিষয়ে একেলগে উল্লেখ কৰিবলৈ লৈছো। এওঁলোক দুজনৰ কোনোবা এজনে বস্তুবোৰ বাহিৰ কৰিছিল, সেয়া গুৰুত্ব পূৰ্ণ নহয় আচল কথা হ'ল যে সঁচাকৈয়ে আঁহজৰত (ছাঃ) ৰ ওপৰত এই যাদুয়ে ক্ৰিয়া কৰিছিল নে ? ইয়াৰ গুঢ়াৰ্থ কি আৰু এই সম্পৰ্কে আমাৰ কি ধাৰণা সেই বিষয়ে আমি জনা উচিত।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে এবাৰ ৰছুলে কৰিম (ছাঃ) ৰ অসুখ হোৱাত, লোকে ভাৰিছিল যে তেখেত (ছাঃ) ৰ ওপৰত ইহুদী সকলৰ ফালৰ পৰা যাদু কৰা হৈছে। এই ঘটনাটো যিবোৰ শব্দৰে বৰ্ণনা কৰা আছে সেয়া হ'ল এনেকুৱা -হজৰত আয়েশা (ৰাঃ) বৰ্ণনা কৰিছে যে নবী কৰিম (ছাঃ) ৰ ওপৰত ইহুদী সকলৰ ফালৰ পৰা যাদু কৰা হৈছে আৰু তাৰ ক্ৰিয়া বশত; এনেকুৱা হৈছে যে তেখেত (ছাঃ) য়ে মাজে সময়ে এয়া ধাৰণা কৰিবলৈ লৈছিল যে তেখেত অমুক কামটো কৰিছে কিন্তু আচলতে সেয়া তেখেতে কৰা নাছিল। এদিনাখন ৰাতি ৰছুলে কৰিম (ছাঃ) য়ে আল্লাহ তায়লাৰ ওচৰত দোৱা কৰাৰ পিছত কৈছিল হে আয়শা মই আল্লাহ তায়লাৰ ওচৰত যি বিচাৰিছিলো, সেয়া আল্লাহ তায়লায় মোক দি দিছে। হজৰত ৰছুলুল্লাহ (ছাঃ) সেয়া কি বিচাৰিছিলে ? তেতিয়া আঁহুজুৰ (ছাঃ) য়ে কৈছিল যে মোৰ ওচৰত দুজন মানুহ আহিছিল, তাৰে এজনে মোৰ মূৰৰ কাষত বহিছিল আৰু আনজনে বহিছিল ভৰিৰ কাষত। আকৌ সেই ব্যক্তিজনে যিজনে মোৰ মূৰৰ কাষত বহিছিল, তেওঁ মোৰ ভৰিৰ কাষত বহি থকা জনক সুধিছিল যে এইজন ব্যক্তি অৰ্থাৎ মহম্মদ (ছাঃ) ৰ কি অসুখ হৈছে ? তেতিয়া তেওঁ উত্তৰত কৈছিল যে ইয়াক যাদু কৰা হৈছে। তেতিয়া এই ব্যক্তিজনে সুধিছিল কোনে যাদু কৰিছে ? ভৰিৰ কাষত বহি থকা জনে কৈছিল যে লবিদ বিন আছিমে যাদু কৰিছে। আকৌ প্ৰথমজনে সুধিছিল যে কি বস্তুৰ ওপৰত যাদু কৰিছে ? তেতিয়া দ্বিতীয় জনে কৈছিল যে ফণী আৰু চুলিৰ ওপৰত যি খেজুৰৰ জোপাৰ ভিতৰত আছে। আকৌ প্ৰথম জনে সুধিছিল যে সেইবোৰ কত আছে ? আকৌ দ্বিতীয় জনে উত্তৰ দিছিল যে এইবোৰ জিয়াৰওয়ানৰ কুঁৱাত আছে। হজৰত আয়শা (ৰাঃ) য়ে কৈছে যে নবী (ছাঃ) য়ে ইয়াৰ পিছত চাহাবা সকলক লৈ সেই কুঁৱাৰ ওচৰত গৈছিল আৰু ঘুৰি আহি কৈছিল যে হে আয়শা আল্লাহৰ কছম ! কুঁৱাৰ পানী এনেকুৱা হৈছিল, যেনিবা জেতুকাৰ ৰসৰ দৰে লাল। হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে কৈছে যে অনুমান হয় যে ইহুদী সকলৰ ওপৰত যাদু-টুনা কৰিছিল তেতিয়া জেতুকা নহলে এনেবিধৰ কিবা বস্তু পানীত ঢালি দিছিল, এই কাৰণেই যে যাতে এয়া কব পাৰে যে যাদুৰ ক্ৰিয়াত পানী লাল হৈ পৰিছে। হজৰত আয়শা (ৰাঃ) কৈছে যে মই কৈছিলো যে ইয়া ৰছুলুল্লাহ  ! আপুনি এই

বস্তুটো, যাৰ ওপৰত যাদু কৰা হৈছে জ্বলাই দিয়া নাই কিয় ? আঁহজৰত (ছাঃ) য়ে উত্তৰ দিছিল যে আল্লাহ তায়লা মোক আৰোগ্য কৰিছে গতিকে মই এনেকুৱা বিষয় এটা পছন্দ নকৰো যে যাৰ পৰা এটা বেয়াৰ উদ্ভৱ হ'ব পাৰে সেই বাবে মই এই বস্তুটো (চুলি, ফণী) মাটিত পুতি থবলৈ আদেশ দিছিলো। সেই মতেই মাটিত পুতি দিয়া হৈছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে কৈছে যে এই ৰোৱায়েতৰ পৰা ইহুদী সকলৰ শত্ৰুতাৰ গম পোৱা যায় যে আঁহজৰত (ছাঃ) ৰ লগত তেওঁলোকে শত্ৰুতা চলাইছিল। ইয়াতে ইখিনি কথাও স্পষ্ট হৈ পৰে যে নবী কৰিম (ছাঃ) খোদা তায়লাৰ সত্য ৰছুল আছিল কাৰণ আল্লাহ তায়লা এই বিলাক কথাৰ বিষয়ে আগতীয়াকৈ তেখেত (ছাঃ) ক জ্ঞান দিছিল যে ইহুদী সকলে তেখেত (ছাঃ) ৰ বিৰুদ্ধে এয়া কৰিবলৈ লৈছে। গতিকে অদৃশ্যৰ কথাবোৰ তেখেত (ছাঃ) য়ে জনা আৰু ইহুদী সকলে নিজৰ উদ্দেশ্যত নিস্ফল হোৱাটো, তেখেত (ছাঃ) ৰ সত্য ৰছুল হোৱাৰ স্পষ্ট আৰু প্ৰকাশ্য প্ৰমাণ। যিয়েই নহওঁক হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে যেনেদৰে বিশ্লেষণ কৰিছে এয়াই যথাৰ্থ যে আঁহজৰত (ছাঃ) ৰ ওপৰত ইহুদী সকলে যাদু কৰিছিল কিন্তু সেই যাদুয়ে একো কাম কৰা নাছিল। আঁহজৰত (ছাঃ) ৰ এয়া আছিল বিস্মৃতি সম্পৰ্কীয় এটা বেমাৰ আৰু আল্লাহ তায়লা আঁহজৰত (ছাঃ) ক ইহুদী সকলৰ এই কাৰুকাৰ্য্য সম্পৰ্কে জনাই দি প্ৰকাশ্য ভাৱে তেওঁলোকৰ এই ধাৰণা ভুল প্ৰমাণতি কৰি দিছিল যে তেওঁলোকে কৰা যাদুৰ ক্ৰিয়াত আঁহজৰত (ছাঃ) ৰ বেমাৰ নহৈছিল। আৰু ইহুদী সকলে তেখেত (ছাঃ) ৰ বেমাৰ হোৱা দেখি আনন্দিত হৈছিল আৰু প্ৰচাৰ কৰিছিল যে এই অসুখ আমাৰ যাদুৰ ক্ৰিয়াত হৈছে তাৰ প্ৰকৃত ৰহস্য ফাদিল হৈ পৰিছিল।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাবে কৈছে যে হুদায়বিয়াৰ সন্ধিৰ পিছত আঁহজৰত (ছাঃ) ৰ ওপৰত (নাউজুবিল্লাহ) এবাৰ ইহুদী বংশীয় মুনাফিক যাৰ নাম আছিল লবিদ বিন আছিম যাদু কৰিছিল আৰু এই যাদু এনেদৰে কৰিছিল যে এখন ফণিত চুলি একোটা বান্দি তাত জৰা ফুকা দি এখন কুৱাত পেলাই ৰাখিছিল। প্ৰবাদ আছে যে আঁহজৰত (ছাঃ) য়ে (নাউজুবিল্লাহ) সেই যাদুৰ ক্ৰিয়াত বহু দিনলৈকে আক্ৰান্ত হৈ আছিল। তেখেত (ছাঃ) য়ে সেই দিনবোৰত বৰকৈ বিস্মৃতিত ভুগিছিল। সদায় তেখেত (ছাঃ) য়ে ধাৰণা কৰিছিল যে অমুক কামটো কৰিছে কিন্তু আচলতে তেখেতে সেয়া কৰা নাছিল। আকৌ মাজে সময়ে তেখেত (ছাঃ) য়ে এয়া ধাৰণা কৰিছিল যে তেখেতে অমুক পত্নীৰ ঘৰও গৈ আহিছে কিন্তু আচলতে তেখেতে সেই ঘৰত যোৱাই নাই। এনেকুৱা অৱস্থাত দিন পাৰ হৈছিল। অৱশেষত আল্লাহ তায়লা এটা সপোনৰ জৰিয়তে এই বেমেজালিৰ ৰহস্য উদঘাটন কৰি দিছিল। এই ৰোৱায়েতৰ লগত এনেকুৱা কিছুমান ভিত্তিহীন কাহিনী গঢ়লৈ উঠিছিল যে আচল বস্তুটো বুজি পোৱা টান হৈ পৰিছিল। এই সকলোবোৰ ৰোৱায়েত যদি বিশ্বাসত লোৱা হয় তেন্তে (নাউজুবিল্লাহ) আঁহজৰত (ছাঃ) ৰ মোবাৰক আৰু পাক ব্যাক্তিত্ব এনেকুৱা প্ৰমাণিত হ'ব যে আপুনি যেনিবা বহুত দুৰ্বল মানসিকতাৰ লোক আছিল। যাক পাৰ্থিৱ বিষয় আদিত তেখেতৰ হৃদয়ৰ পঙ্কিলতা শত্ৰু সকলে যাদুৰ দ্বাৰা তেওঁলোকৰ ইচ্ছা অনুযায়ী হৃদয়ত জাগ্ৰত কৰিব পাৰে আৰু তেওঁলোকে এয়াও কৰিব পাৰে যে তেওঁলোকৰ অসৎ উদ্দেশ্য ৰূপায়ন কৰিবলৈ তেখেত (ছাঃ) ৰ হৃদয়, মস্তিস্কত নিজৰ অৰ্থাৎ তেওঁলোকৰ ইচ্ছানুযায়ী ব্যৱহাৰ কৰিবলৈ লয়। মুঠতে (নাউজুবিল্লাহ) তেখেত (ছাঃ) য়ে এই যাদুৰ আগত যেনিবা অসহায় হৈ পৰিছিল। যদি এইবোৰ ৰোৱায়াত প্ৰজ্ঞাৰে সৈতে চিন্তা কৰা হয় আৰু দাৰ্শনিক চিন্তা চৰ্চাৰে অনুসন্ধান কৰা হয় তেন্তে স্পষ্ট ভাৱে প্ৰমান হ'ব যে এয়া এটা বিস্মৃতি সম্পৰ্কীয় বেমাৰ হে আছিল। যিবোৰ কিছুমান সাময়িক চিন্তা ভাৱনা অথবা শাৰীৰিক দুৰ্বলতাৰ ফলত তেখেত (ছাঃ) ৰ কাম চিন্তা আদিত দেখা দিছিল। যাৰ পৰা কিছুমান দুভৰ্গীয় শত্ৰু সকলে নিজৰ লাভৰ কাৰণে এয়া প্ৰচাৰ কৰিছিল যে আমি (নাউজুবিল্লাহ) মুছলমান সকলৰ নবীৰ ওপৰত যাদু কৰিছো। কিন্তু খোদা তায়লায় তেখেত (ছাঃ) ক অতি সোনকালে আৰোগ্য দান কৰি শত্ৰু সকলৰ মুখ কুলটা কৰিছিল আৰু মুনাফিক সকলৰ মিছা পৰিকল্পনা ধুলিস্যাৎ কৰিছিল। গোটা ভুমণ্ডলত চয়তানী শক্তিৰ ওপৰত বিজয় ধবজাউৰুৱা আৰু শ্ৰেষ্ঠ ৰছুল, যিজনতকৈ পৰাক্ৰমী চয়তানী শক্তিক পৰাভুত কাৰী আজিলৈকে জন্ম হোৱা নাই আৰু ভৱিষ্যতেও নহয়, তেখেতৰ সম্পৰ্কে এয়া ধাৰণা কৰা যে তেখেতে এজন নিকৃষ্ট পোৱালীৰ চয়তানী যাদুৰ কবলত পৰিছিল এয়া হ'ল মাননীয় প্ৰজ্ঞাৰ চৰম পৰিপন্থী। এয়া ভৱাটোৱে অযুক্তিকৰ আৰু এয়া কেৱল আমাৰ দাবীয়ে নহয় বৰং দুছৰে কায়নাতৰ ফিদা নফছেও এয়া বাতিল সাব্যস্ত কৰিছে। এটা হদীছৰ পৰা এয়া স্পষ্ট

হৈ পৰিছে এবাৰ হজৰত আয়শা (ৰাঃ)য়ে সুধিছিল যে ইয়া ৰছুলুল্লাহ মোৰ লগত চয়তান আছেনে ? তেখেত(ছাঃ) য়ে কৈছিল হয় আছে। হজৰত আয়শা (ৰাঃ) য়ে আকৌ সুধিছিল কিয় ! প্ৰত্যেকজন মানুহৰ লগতেই চয়তান আছে নে ? তেতিয়া তেখেত (ছাঃ) য়ে কৈছিল হয়। হজৰত আয়শা (ৰাঃ) য়ে আচৰিত হৈ সুধিছিল ইয়া ৰছুলুল্লাহ আপোনাৰ লগতো চয়তানে লাগি আছেনে ? তেখেত (ছাঃ) য়ে কৈছিল হয় ! কিন্তু খোদা তায়লা মোক চয়তানৰ ওপৰত বিজয় দান কৰিছে। ইমানেই যে মোৰ চয়তানটো মুছলমান হৈ গৈছে। উক্ত স্পষ্ট মন্তব্য থকা সত্তেও এয়া ধাৰণা কৰিব পৰা যায় নে যে কোনো মুনাফিক ইহুদীয়ে (যি সকল কোৰ-আনৰ বাণী অনুসৰি পথ ভ্ৰষ্ট জাতি)নিজৰ চয়তানৰ সহায়ত আঁহজৰত (ছাঃ) ৰ দৰে উচ্চ মৰ্যদা সম্পন্ন নবীৰ ওপৰত যাদু চলাব পাৰে আৰু তেখেত (ছাঃ) য়ে সেই যাদুৰ প্ৰভাৱত বহু দিনলৈকে জৰ্জৰিত আৰু চিন্তাযুক্ত আৰু বেমাৰ থাকিব পাৰে। এখেতে লিখিছে যে আকৌ এটা প্ৰশ্ন উঠিব পাৰে যে এই ঘটনাৰ প্ৰকৃত অৰ্থ কি ! যি ছহি বুখাৰীত হজৰত আয়েশা (ৰাঃ) ৰ মৌখিক বৰ্ণনা লিপিবদ্ধ হৈছে। সেয়ে যদি এই ঘটনাৰ বিশ্লেষণ আৰু ইহুদী মুনাফিক সকলৰ পৰিবেশ পৰিস্থিতিৰ ওপৰত গভীৰ দৃষ্টি ৰাখি চিন্তা কৰা হয় তেন্তে এই ঘটনাৰ মূল উৎঘাটন কৰা একো জঠিল নহয়। সৰ্ব প্ৰথম এয়া জনা উচিত যে এই যাদুৰ আনুমানিক ঘটনাটো হুদায়বিয়াৰ সন্ধিৰ পিছত ঘটিছিল। কুৰাইছ সকলৰ বাধা-বিপত্তিৰ কাৰণে আঁহজৰত (ছাঃ) য়ে অসফলতাৰে ঘুৰি আহিব লগা হৈছিল। এই প্ৰকাশ্য অকৃতকাৰ্যতা এনে এটা শোকাবিভুত ঘটনা আছিল যে কাফিৰ আৰু মুনাফিক সকলে ঠাট্টা বীক্ৰপ কৰিবলৈ লৈছিল। সেয়ে আঁহজৰত (ছাঃ) ৰ মানসিকতাত ভালেখিনি হেঁচা বা প্ৰভাৱ পৰিছিল আৰু তেখেত (ছাঃ) য়ে কিছুদিন গভীৰ চিন্তাত জৰ্জৰিত থাকিছিল। এইবোৰ কাৰণত তেখেত (ছাঃ) ৰ মানসিক-ভাৰ ক্ষমতাত আৰু স্মৃতি শক্তিৰ ওপৰত ভালেখিনি প্ৰভাৱ পৰিছিল আৰু কিছু দিনলৈ বিস্মিৃতিজনিত ৰোগত আক্ৰান্ত হৈছিল। যেতিয়া ইহুদী আৰু মুনাফিক সকলে দেখিছিল যে আঁহজৰত (ছাঃ) ৰ বেমাৰ চলি আছে আৰু দুৰ্বলতা আৰু মস্তিস্ক জনিত কাৰণত বিস্মিৃতিয়ে দেখা দিছে তেতিয়া তেওঁলোকে তেওঁলোকৰ বদ-অভ্যাস অনুযায়ী বিবাদৰ সৃষ্টি কৰিবলৈ প্ৰচাৰ কৰিবলৈ লৈছিল যে আমি (নাউজুবিল্লাহ) মুছলমান সকলৰ নবীক যাদু কৰিছো আৰু তেখেত (ছাঃ) য়ে কোনো বিষয় এটা পাহৰি যোৱাগৈ এই যাদুওই ক্ৰিয়া আৰু তেওঁলোকে নিজৰ পুৰণি পৰম্পৰা অনুযায়ী প্ৰকাশ্য চিহ্ন হিচাপে এখন কুঁৱাত ফণি এখনত চুলি একোচা বান্ধি সেয়া পেকাই ৰাখিছিল। যেতিয়া ইহুদী সকলৰ এই আনুমানিক যাদুৰ ঘটনা সম্পৰ্কে আঁহজৰত (ছাঃ) য়ে জানিব পাৰিছিল তেখেত (ছাঃ) য়ে এই বিবাদৰ মূল উৎপাদন কৰিবলৈ আল্লাহৰ সমীপত দোৱা কৰিছিল। গতিকে খোদা তায়লায় তেখেত (ছাঃ) ৰ আকৃতি ভৰা দোৱাৰ ফলশ্ৰুতিত সপোনৰ জৰিয়তে তেখেত (ছাঃ) ক সকলো ৰহস্য জনাই দিছিল। গতিকে কোৰ-আন মজিদত আল্লাহ তায়লা কৈছে ''ওয়ালা ইউফলিহুচ্ছাহিৰু হায়ছু আতা'' অৰ্থাৎ নবী সকলৰ বিৰুদ্ধে কোনো যাদুকৰ কৃতকাৰ্য হ'ব নোৱাৰে। ''ইয়া কুলুজ জালিমুনা ইন তাতাবিউনা ইল্লা ৰাজুলাম মাছহুৰা'' অৰ্থাৎ অন্যায়কাৰী লোক সকলে কয় যে তোমালোকে এনেকুৰা এজন লোকৰ আনুগত্য কৰি আছা যিজনে যাদু গ্ৰস্থ।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে হদীছৰ শব্দ সমুহ আৰু আনুমানিক বৰ্ণনা আৰু বিতং ব্যাখ্যাৰ ওপৰত গমি চোৱাৰ ফলত বুখাৰীৰ এই ৰোৱায়েত নিশ্চয় এই কাহিনী বিৰুধী সকলৰ মৌখিক গল্প বুলি ধৰা যায়। হেকায়েত আনআল গ্যাৰৰ অৰ্থ হ'ল যে সাধাৰণতে কথা কওঁতা জনে নিজৰ মন গঢ়া কথা কয় কিন্তু প্ৰকৃততে তাত বেলেগৰ কথাহে বৰ্ণনা কৰি থাকে। এই ৰোৱায়েতৰ তৰজমা এনেদৰে কৰিব পৰা যায় যে হজৰত আয়শা (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে এবাৰ শত্ৰু সকলে প্ৰচাৰ কৰিছিল যে তেখেত (ছাঃ) ক যাদু কৰা হৈছে। দৰাচলতে সেই সময়ত তেখেত (ছাঃ) য়ে মাজে সময়ে ধাৰণা কৰিছিল যে তেখেতে অমুক কামটো কৰিছে কিন্তু বাস্তৱতে তেখেত (ছাঃ) য়ে সেই কামটো কৰাই নাছিল। আঁহজৰত (ছাঃ) য়ে আল্লাহৰ ওচৰত দোৱা কৰাৰ ফলত আল্লাহ তায়লায় তেখেত (ছাঃ) ক সপোনত দেখুৱাইছিল যে দুজন লোকে তেখেতৰ অসুখ সম্পৰ্কে কথা পাতি আছে। উক্ত সপোনৰ দ্বাৰা তেখেত (ছাঃ) য়ে গম পাইছিল যে কোনোবা ইহুদী এজনে নিজৰ ধাৰণা অনুযায়ী তেখেত (ছাঃ) ক যাদু কৰিবলৈ কিবা বস্তু এটা কুঁৱাত পেলাইছে। তেখেত (ছাঃ) য়ে চাহাবা সকলক লগত লৈ সেই কুঁৱাৰ পাৰত গৈছিল আৰু সেই কুঁৱা বন্ধ কৰোৱাইছিল। হজৰত আয়শা (ৰাঃ) কৈছে যে মই ৰছুলুল্লাহ (ছাঃ) ক কৈছিলো যে আপুনি সেই ফণি আৰু চুলি উলিয়াই আনি কিয় বাহিৰত পেলাই দিয়া

নাই ? তেখেত (ছাঃ) য়ে কৈছিল খোদা তায়লা মোক নিৰাপদে ৰাখিছে আৰু মোক আৰোগ্য দান কৰিছে। গতিকে সেয়া মই বাহিৰত পেলাই লোক সমাজত এটা বেয়া কথাৰ চৰ্চা কিয় কৰিম। ইয়াৰ পৰা দুৰ্বল মানসিকতাৰ লোকৰ মাজত যাদুৰ প্ৰতি অযথা মনযোগ আকৰ্ষণৰ সম্ভৱনা হ'ব পাৰে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে মুঠতে এই সপোনৰ আচল উদ্দেশ্য ইয়াৰ বাহিৰে আন একো নাছিল। যি বস্তুখিনি সেই দুষ্ট লোকজনে লুকাই কুঁৱাত ৰাখিছিল আৰু তাৰ জৰিয়তে নিজৰ লোকক প্ৰৱঞ্চনা কৰিছিল, সেই বিষয়টো খোদা তায়লা নিজৰ ৰছুলক জনাই দিছিল, যাতে সিঁহতৰ কাল্পনিক যাদুৰ ভিত্তি নষ্ট কৰি দিব পৰা যায়। গতিকে তেনেকুৱাই হৈছিল আৰু কুঁৱাখন বন্ধ কৰি দিয়া হৈছিল আৰু ইয়াৰ ফলস্বৰূপে আঁহজৰত (ছাঃ) ৰ সুস্থতাৰ চিন্তা (যে এনেধৰণৰ চয়তানী কৰি সজ মস্তিস্কৰ লোক জনক প্ৰৱঞ্চনা কৰিব বিচৰা) কৰা লোকৰ চিন্তা দুৰ হৈছিল। লগতে খোদা তায়লাৰ প্ৰতিশ্ৰুতি স্পষ্ট ভাৱে পূৰ্ণ হৈছিল যে ''লা ইউফলি হুচ্ছাহিৰু হায়ছু আতা'' অৰ্থাৎ এজন যাদুকৰে যিয়েই পন্থা অৱলম্বন নকৰক কিয়, তেওঁ খোদা তায়লাৰ নবীৰ ওপৰত জয়লাভ কৰিব নোৱাৰে। অৱশেষত প্ৰশ্ন এটা হ'ব পাৰে যে আঁহজৰত (ছাঃ) যিজন খোদা তায়লাৰ এজন মৰ্যদা সম্পন্ন নবী আৰু আফজালুৰ ৰছুল আৰু খাতামান্নাবীঈন আছিল তেখেতৰ এই বিস্মৃতি বেমাৰ কিয় হৈছিল, যিয়ে নবুওয়াতৰ দায়িত্ব পালনত যতি পেলাইছিল। ইয়াৰ উত্তৰত ভালদৰে মনত ৰাখিব লাগিব যে প্ৰত্যেক নবীৰেই অধিক গুণাৱলী হৈ থাকে। এফালে খোদা তায়লাৰ নবী বা ৰছুল হয় যাৰ ফলত খোদা তায়লাৰ বাণী লাভ কৰি থাকে আৰু ধৰ্ম বিষয়ত নিজৰ মান্যকাৰী সকলৰ গুৰু আখ্যা লাভ কৰে আৰু এওঁলোকৰ বাবে আদৰ্শ স্বৰূপহৈ থাকে। আনফালে তেখেত মানৱৰ পৰাই এজন মানৱ হৈ থাকে আৰু সকলো মানবীয় প্ৰয়োজনীয়তা আৰু সমস্যা আদিৰ অধীন হৈ থাকে যিবোৰ বেলেগ মানুহৰ ক্ষেত্ৰত ঘটি থাকে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে যদি ইয়াতে এয়া ধাৰণা কৰা হয় যে কোৰ-আন পাকত উল্লেখ আছে যি আঁহজৰত (ছাঃ) সম্পৰ্কে কৈছে যে ''ছানুৰিউকা ফালা তানছা'' অৰ্থাৎ আমি তোমাক এনে শিক্ষা দিম যাক তুমি নাপাৰিবা। মনত ৰখা উচিত যে এই প্ৰতিশ্ৰুতি কেৱল কোৰাণী অহিৰ ক্ষেত্ৰতহে প্ৰযোজ্য। দৈনিক সংগঠিত হোৱা কথাবোৰ আৰু ধৰ্মীয় বিষয় আদি দ্বীনি কাৰুকাৰ্য্যৰ প্ৰকাশ্য ৰীতি সম্পৰ্কে কেতিয়াও এই প্ৰতিশ্ৰুতি প্ৰযোজ্য নহয়। গতিকে যেনেকৈ আঁহজৰত (ছাঃ) ৰ কেতিয়াবা কেতিয়াবা সাধাৰণ আৰু সাময়িক বিস্মৃতি ঘটিছিল এই অসুখটো হুদায়বিয়াৰ সন্ধিৰ পিছত কিছুদিনৰ বাবে বিস্মৃতি ৰোগত পৰিণত হৈছিলগৈ। অতীতৰ উলামা সকলেও ইয়াক বেমাৰ বুলিয়ে লিখিছে। যেনেকৈ হদীছৰ শেষ বাক্যটোত প্ৰকাশ আছে যে আল্লাহ তায়লা মোক আৰোগ্য কৰিছে। ইয়াৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে শেষত মই যুগ ইমামৰ এই বিষয়ে দিয়া মন্তব্য পঢ়ি শুনাইছো। যিয়ে সকলো বিশ্লেষণ সামৰি লৈছে। এজন মানুহে এদিন হজৰত মছিহ মাওউদ (আঃ) ক এখন বৈঠকত প্ৰশ্ন কৰিছিল, যে আঁহজৰত (ছাঃ) ৰ ওপৰত কাফিৰ সকলে যি যাদু কৰিছিল,সেই সম্পৰ্কে আপোনাৰ ধাৰণা কি হজৰত আকদছ (আঃ) য়ে কৈছিল যে যাদু চয়তানৰ ফালৰ পৰাহে হয়। নবী ৰছুলৰ এয়া মৰ্যদা নহয় যে যাদু তেওঁলোকৰ ওপৰত প্ৰভাৱ পেলাব পাৰে। আমি এই কথাটো কেতিয়াও মানি নলওঁ। চকু মুদি বুখাৰী মুছলিম শ্বৰীফক মানি যোৱা আমাৰ নীতি বিৰুদ্ধ। এয়া বিবেকেও মানি নলয় যে এনে উচ্চ মৰ্যদা সম্পন্ন নবীৰ ওপৰত যাদুয়ে ক্ৰিয়া কৰিব পাৰে শেষত হুযুৰ(আইঃ)য়ে কৈছে আলহামদুলিল্লাহ আমি এই যুগৰ ইমামক মানি লৈ আঁহজৰত (ছাঃ) ৰ স্থান আৰু মৰ্যদা বুজি পোৱাৰ সক্ষমতা লাভ কৰিছো আৰু তেখেত (ছাঃ) চিনি পোৱাৰ সুযোগ পাইছো (আমিন) **********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 8March 2019**

**(BOOK POST PRINTED MATTER)**

**To**

---------------------------------------------------------------------------

---------------------------------------------------------------------------

---------------------------------------------------------------------------

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844